# বাৰ্ষিক পত্ৰিকা

অসমীয়া বিভাগ । তেজপুৰ বিশ্ববিদ্যালয়
তৃতীয় সংখ্যা । ২০২২ বৰ্ষ
Department of Assamese
Tezpur University
**Annual Departmental Brochure**
Vol-III, 2022

**সম্পাদক ঃ** জ্যোতিষ্মান দাস
**Editor :** Jyotishman Das



# আলোচনা সত্ৰ / কৰ্মশালা ইত্যাদি

## ‘আধুনিক অসমীয়া সংগীত আৰু চলচ্চিত্ৰ’ বিষয়ক আলোচনা-সত্ৰ

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত যোৱা ২১ আৰু ২২ মাৰ্চ, ২০২২ তাৰিখে দুদিনীয়াকৈ ‘অসমীয়া সংগীত আৰু চলচ্চিত্ৰ’ বিষয়ক এখনি আলোচনা-সত্ৰ সম্পন্ন হয়। প্ৰথম দিনা বিশ্ববিদ্যালয়ৰ কাউন্সিল হলত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা আলোচনা-সত্ৰখনিত আদৰণী ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° সুব্ৰত জ্যোতি নেওগে। বিভাগীয় অধ্যাপক জ্যোতিষ্মান দাসে আঁত ধৰা উক্ত সত্ৰখনিৰ উদ্বোধনী ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক চন্দন কুমাৰ শৰ্মাই। প্ৰথম দিনাৰ প্ৰথমখনি অধিৱেশনত আলোচনা আগবঢ়ায় চলচ্চিত্ৰ সমালোচক উৎপল দত্তই। ‘অসমীয়া চিনেমাৰ নতুন লহৰ’ শীৰ্ষক বিষয়ত সমালোচক দত্তই এক সাৰগৰ্ভ আলোচনা আগবঢ়ায়। চাহ বিৰতিৰ পিছত দুপৰীয়া ১২.১৫ মিনিটৰ পৰা ১.০০ বজালৈ যশস্বী অসমীয়া অভিনেতা অৰুণ নাথৰ সৈতে আলোচনা-সত্ৰত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ এটা অন্তৰংগ আলাপ অনুষ্ঠিত হয়। অৰুণ নাথে ‘অসমীয়া চলচ্চিত্ৰৰ ঐতিহ্য আৰু সাম্প্ৰতিক গতি-প্ৰকৃতি’ সন্দৰ্ভত নিজা অভিজ্ঞতাৰ আধাৰত বক্তব্য ৰাখে। অন্তৰংগ আলাপৰ আঁত ধৰে বিভাগৰ ছাত্ৰ দেৱাশিস বুঢ়াগোহাঁয়ে। আলোচনা-সত্ৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী আকাংক্ষা ভাগৱতীৰ দ্বাৰা পৰিচালিত চুটি ছবি ‘কুমু’ প্ৰদৰ্শন কৰা হয়। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত দ্বিতীয় অধিৱেশন আৰম্ভ হয়। ‘অসমীয়া সংগীত বাণীবদ্ধকৰণৰ ইতিহাস’ শীৰ্ষক বিষয়ত সাংবাদিক, লেখক মনজিৎ ৰাজকোঁৱৰে এক গুৰুত্বপূৰ্ণ বক্তৃতা আগবঢ়ায়। তেখেতে অসমীয়া সংগীতৰ ৰেকৰ্ডিঙৰ ইতিহাসৰ সৈতে জড়িত কেতবোৰ অনালোচিত প্ৰসংগ আলোচনা কৰে। তাৰ পিছৰ আলোচনা সত্ৰত উৎপল দত্তই অসমীয়া ‘চিনেমাৰ ভিন্ন দিশ’ বিষয়ক এটা বক্তৃতা আগবঢ়ায়। প্ৰথম দিনাৰ কাৰ্যসূচীৰ শেষৰফালে আকৃতি সিঙৰ চিনেমা Eight Down Toofan Mail প্ৰদৰ্শন কৰা হয়। লগতে এই চিনেমাখনৰ সন্দৰ্ভত চিনেমা সমালোচক ড° দীপশিখা ভাগৱতীয়ে পৰিচয়মূলক আলোচনা




আগবঢ়ায়। আলোচনা সত্ৰখনিৰ সমন্বয়ক, সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসৰ শলাগৰ শৰাইৰে প্ৰথমদিনাৰ কাৰ্যসূচীৰ অন্ত পৰে। দ্বিতীয় দিনা দিনৰ ১১ বজাৰ পৰা অসমীয়া বিভাগৰ ডিজিটেল শ্ৰেণীকক্ষত অনুষ্ঠিত আলোচনা-সত্ৰত আদৰণী ভাষণ প্ৰদান কৰে বিভাগীয় মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগে। সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে আঁত ধৰা দ্বিতীয় দিনাৰ বক্তৃতা প্ৰদান কৰে লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক ড° অনিল শইকীয়াই। ড° শইকীয়াই ‘অসমীয়া লোকসংগীতৰ পৰম্পৰা’ শীৰ্ষক বিষয়ত এক গুৰুত্বপূৰ্ণ তথা আকৰ্ষণীয় বক্তৃতা প্ৰদান কৰে। চাহ বিৰতিৰ পৰৱৰ্তী সময়ত ড° শইকীয়াই ‘অসমীয়া বোলছবিৰ গীত’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰাৰ লগতে উপস্থিতসকলৰ সৈতে মত-বিনিময় কৰে। অনুষ্ঠানৰ শেষত বিভাগীয় অধ্যাপক ড° সঞ্জীৱ পল ডেকাই শলাগৰ শৰাই আগবঢ়াই আলোচনা-সত্ৰৰ সামৰণি মাৰে।

# Seminar/ Workshop/ Symposium



## Symposium on 'Modern Assamese Music and Cinema'

The Department organized a two-day symposium on 'Modern Assamese Music and Cinema' on 21-22 March, 2022. Professor Chandan Kumar Sharma, Professor, Department of Sociology, Tezpur University inaugurated the event, which was held at the Council hall of the University. The first session started with a lecture on 'New Waves in Assamese Cinema', by Utpal Datta, a notable film critic from Assam followed by the tea break, after which the renowned Assamese actor Arun Nath had an interactive session with the participants. Based on his personal experience, Mr Nath spoke about the history and current development of Assamese Cinema. *Kumu*, a short film directed by Akanshya Bhagawati, a student of Tezpur University, was screened at the end of the first session. Monjit Rajkonwar, a journalist and writer from Assam started the second session with his lecture on 'History of Assamese Song Recording.' He discussed some previously unexplored aspects in the recording history of Assamese music. In the last session of the first day, Akriti Singh's *Eight Down Toofan Mail* was up for screening. Dr. Dipshikha Bhagwati, a film critic of Assam gave an introductory lecture about the film followed by a virtual session where Akriti Singh, the director of the film, spoke about her film journey. The first-day ended with a thanks by Mr. Jyotishman Das, Assistant Professor of the department and coordinator of the event. The second-day of the symposium was held at the digital classroom of the department where Dr. Anil Saikia, an eminent Assamese folklorist, delivered an important and interesting lecture on 'The Tradition of Assamese Folk Music' during the first session. Dr. Saikia delivered another lecture on 'Music of Assamese Cinema' in the second session followed by an interactive session with the audience. The event was moderated by Mr. Jyotishman Das and concluded with a vote of thanks by Dr. Sanjib Pol Deka, Assistant Professor, Department of Assamese.






# ‘পৰিচয় আৰু অসমীয়া সাহিত্য’ বিষয়ক ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ

অসমীয়া বিভাগৰ উদ্যোগত ২৩ আগষ্ট, ২০২২ তাৰিখে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-সত্ৰ সম্পন্ন হয়। আলোচনা-সত্ৰখনিৰ মূল বিষয় আছিল-- ‘পৰিচয় আৰু অসমীয়া সাহিত্য’। ঔপনিৱেশিক সময়ৰ পৰা অসমীয়া সাহিত্যত বিভিন্ন পৰিস্থিতিত পৰিচয় সম্পৰ্কীয় সমস্যাবোৰ কিদৰে উত্থাপন হৈছে আৰু ইয়াৰ লগত জড়িত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশৰ আলোচনাৰে সম্পন্ন হোৱা আলোচনা সত্ৰখনত বিষয়ৰ সৈতে জড়িত বিভিন্ন নতুন দিশ উন্মোচিত হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক তথা আলোচনা-সত্ৰৰ সমন্বয়ক ড° সঞ্জীৱ পল ডেকাই আঁত ধৰা আৰম্ভণী অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যই। অসমৰ কেইবাজনো আমন্ত্ৰিত শিক্ষাবিদ-গৱেষকৰ লগতে অৰ্ধশতাধিক অংশগ্ৰহণকাৰীৰ উপস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক নন্দনা দত্তই মূল ভাষণ প্ৰদান কৰে। মুঠ তিনিটা অধিৱেশনত সম্পন্ন হোৱা আলোচনা-সত্ৰখনিত অসমৰ বিভিন্ন বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ আমন্ত্ৰিত অধ্যাপক-অধ্যাপিকাই গৱেষণা পত্ৰ পাঠ কৰাৰ লগতে সাৰগৰ্ভ আলোচনা আগবঢ়ায়। অধ্যাপিকা নন্দনা দত্তই সঞ্চালনা কৰা প্ৰথমখন কাৰিকৰী অধিৱেশনত ড° চন্দন কুমাৰ শৰ্মা, উদ্দীপন দত্ত, দেৱভূষণ বৰা আৰু স্তুতি গোস্বামীয়ে গৱেষণা-পত্ৰ পাঠ কৰে। দ্বিতীয় আৰু তৃতীয় কাৰিকৰী অধিৱেশন সঞ্চালনা কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক চন্দন কুমাৰ শৰ্মাই। বিক্ৰম বৰা, তন্ময়ী ৰাণী নেওগ, জাহ্নু ভৰদ্বাজ, ধনমণি কলিতা, জুৰী দত্ত আৰু অংশুমান ফুকনে এই আলোচনা-সত্ৰত গৱেষণা পত্ৰ পাঠ কৰে।

# National Seminar on ‘Identity in/and Assamese Literature’

The Department hosted a national seminar entitled "Identity in/and Assamese Literature" on 23 Aug 2022 where different problems related to identity as represented in different contexts were analysed from new perspectives. Prof Dhruba Kumar Bhattacharya, the Pro Vice Chancellor of Tezpur University delivered the inaugural speech of the programme, which was hosted by Dr. Sanjib Deka, Assistant Professor of Department, and coordinator of the event. The keynote speech of the event was delivered by Professor Nandana Dutta, eminent writer and professor of the Department of English, Gauhati University. In the three sessions of the seminar, researchers from the different colleges and universities from Assam participated and initiated insightful discussions. The first session was chaired by Prof Nandana Dutta where Dr. Chandan Kumar Sarma, Dr. Uddipan Dutta, Debobhusan Bora and Stuti Goswami presented their research papers. The second and third technical sessions were chaired by Dr. Chandan Kumar Sarma, Associate Professsor and Head of the Department of History, Dibrugarh University where Bikram Bora, Tanmayee Rani Neog, Jahnu Bhardwaj, Dhanmani Kalita and Angshuman Phukan presented their research papers. The programme concluded with the vote of thanks offered by Dr. Sanjib Deka.

# ‘উত্তৰ-পূব ভাৰতৰ সাহিত্য, অনুবাদ আৰু ৰাষ্ট্ৰীয় সংহতি’ শীৰ্ষক পৰিশীলন কাৰ্যক্ৰম

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে শিক্ষণ শিকন কেন্দ্ৰৰ সহযোগত, ২০২২ চনৰ ১৩ ডিচেম্বৰৰ পৰা ২৭ ডিচেম্বৰলৈ ‘উত্তৰ-পূব ভাৰতৰ সাহিত্য, অনুবাদ আৰু জাতীয় সংহতি’ শীৰ্ষক এখন ১৫-দিনীয়া অনলাইন পৰিশীলন পাঠ্যক্ৰমৰ আয়োজন কৰে আৰু এই পাঠ্যক্ৰমত অসম আৰু পশ্চিমবংগৰ বিভিন্ন মহাবিদ্যালয়ৰ ১৮৮ জন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। পৰিশীলন পাঠ্যক্ৰমত উত্তৰ-পূব ভাৰতৰ বিভিন্ন ভাষাত ৰচিত সাহিত্য, উত্তৰ-পূব ভাৰতৰ বিভিন্ন ভাষাৰ সাহিত্যলৈ অনুবাদৰ ভূমিকা আৰু গুৰুত্ব, জাতীয় সংহতিৰ ধাৰণা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ চেষ্টা কৰে। এই পৰিশীলন পাঠ্যক্ৰমৰ মূল ভাষণ প্ৰদান কৰে হায়দৰাবাদৰ ইংৰাজী আৰু বিদেশী ভাষা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য অধ্যাপক কৈলাস চন্দ্ৰ বাৰালে। অধ্যাপক বাৰালে ‘উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্যিক সংস্কৃতি : বৈচিত্ৰ্য আৰু ভাৰতীয় সাহিত্য’ শীৰ্ষক বিষয়ক বক্তব্য প্ৰদান কৰে। পৰিশীলন পাঠ্যক্ৰম কাৰ্যসূচীত বক্তৃতা প্ৰদান কৰা সমল ব্যক্তিসকল হৈছে-- বৰপেটা বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাস, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° পৰী হিলৈদাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° সঞ্জীৱ কুমাৰ নাথ, উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, শ্বিলঙৰ ইংৰাজী বিভাগৰ অধ্যাপক জ্যোতিৰ্ময় প্ৰধানী, তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক মদন শৰ্মা, ঝাৰখণ্ড কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰেয়া ভট্টাচাৰ্য্য, উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, শ্বিলঙৰ সাংস্কৃতিক আৰু সৃষ্টিশীল অধ্যয়ন বিভাগৰ ডেচমণ্ড খাৰমফ্লাং, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক আনন্দ বৰমুদৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক সত্যকাম বৰঠাকুৰ। তেজপুৰ বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক অধ্যয়ন বিভাগৰ অধ্যাপক দেৱৰ্ষি প্ৰসাদ নাথ, দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ ড° ৰত্নোত্তমা দাস বিক্ৰম, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ ড° ধূৰ্জটি শৰ্মা, কবি, অনুবাদক আৰু সম্পাদক ড° ৰতি ছাক্সেনা, ছয়দুৱাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ড° অৰিন্দম শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক বিজয় কে. দন্তা, আৰু কটন বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ড° মেৰী বৰুৱা বৰা। ২০২২ চনৰ ২৭ ডিচেম্বৰত এই পৰিশীলন পাঠ্যক্ৰমৰ অন্ত পৰে। শিক্ষণ-শিকন কেন্দ্ৰৰ পৰিচালক ড° শুভ্ৰাংশু শেখৰ চৰকাৰে বৃহৎ সংখ্যক অংশগ্ৰহণকাৰীৰ সৈতে পাঠ্যক্ৰমটো সফলতাৰে সম্পূৰ্ণ কৰাত আৰু সমল ব্যক্তিসকলৰ সৈতে তেওঁলোকৰ সক্ৰিয় আদান-প্ৰদানত আনন্দ প্ৰকাশ কৰে। অন্তিম দিনাৰ কাৰ্যসূচীত তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যও উপস্থিত থাকে আৰু এই পৰিশীলন পাঠ্যক্ৰমৰ উপযোগিতা, ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে কৈ পাঠ্যক্ৰমৰ সামৰণি মাৰে।



# Online Refresher Course on "Literatures of North East India, Translation and National Integration"



The Department of Assamese, Tezpur University in collaboration with Teaching Learning Centre (TLC), organized a fifteen (15) day Online Refresher Course entitled "Literatures of North East India, Translation and National Integration" during 13 December-27 December, 2022. A total of one hundred and eighty-eight (188) participants from various colleges and universities of Assam and West Bengal actively participated in the Course. The Refresher Course tried to focus on the area of literatures written in various languages of North East India, the role and importance of translation from and into literatures of North East India and the concept of national integration. The keynote address of the Course was delivered by Prof Kailash Chandra Baral, Former Pro Vice Chancellor, The English and Foreign Languages University, Hyderabad. Prof Baral spoke on the topic "Literary Cultures of North East: Diversity and Indian Literature." The resource persons and topics of the event are: Dr Birinchi Kumar Das, Principal, Barpeta Girls' College (Comparative Literature and Translation in the Context of Assamese Literature), Dr Pori Hiloidari, Associate Professor, Dept of English, Handique Girls' College (Translation: Bhasha Literature and English: Problems and Prospects the Context of Assamese Literature), Dr Pranjal Sarma Bashistha, Associate Professor, Gauhati University (Translation Studies), Prof Sanjeev Kumar Nath, Dept. of English, Gauhati University (Language Politics, Translation, and National Integration in a Multilingual Society with reference to North East India), Prof Jyotirmoy Pradhani, Dept of English, North Eastern Hill University, Shillong (North East Literature and Translation), Prof Madan Sarma, Former Head, Dept of English, Tezpur University (Translation: Theory and Practice), Prof Shreya Bhattacharji, Dept of English, Central University of Jharkhand (Jal, Jangal, Jameen, Zubaan, Zameer: The Poetic Worlds of Mamang Dai and Jacinta Kerketta), Prof Desmond L. Kharmawphlang, Dept of Cultural and Creative Studies, NEHU, Shillong (Literatures of North East India: Folklore and Fiction), Prof Bibhash Choudhury, Dept of English, Gauhati University (Reading Literature and Translation in the North East), Prof Ananda Bormudoi, Former Professor, Dept of English, Dibrugarh University (Translation Studies), Prof Satyakam Borthakur, Dept of Assamese, Dibrugarh University (People of North East India and Common Ethos of Literatures of North East India), Prof Nirajana Mahanta Bezbora, Dept of Assamese, Dibrugarh University (Cultural Fluency in the Perspective of Comparative Literature and Translation Studies), Prof Debarshi Prasad Nath, Dept of Cultural Studies, Tezpur University (Translation and Power), Dr Ratnottama Das Bikram, Dept of MIL and Literary Studies, Delhi University (Cultural Translation: Problems and Perspectives), Dr Dhurjjati Sarma, Dept of MIL and Literary Studies, Gauhati University (Relevance of Comparative Literature in North East India), Dr. Rati Saxena, a noted poet, translator and editor (Translation and National Integration), Dr. Arindam Sarma, Dept. of English, Chaiduar College, (Border and Boundaries in North East India: A Literary Perspective), Prof Bijay K. Danta, Dept. of English, Tezpur University (Investing in Translating Neighbourhoods in India) and Dr Merry Baruah Bora, Dept. of English, Cotton University (Literature(s) of North East India: A Polyphonic Chorus). The Refresher Course ended with a valedictory session on 27 December, 2022. Prof. S. S. Sarkar, Director of Teaching Learning Centre (TLC), Tezpur University expressed his pleasure in successful completion of the course with many participants and their active interactions with the resource persons. In the valedictory session, Prof Dhruba Kumar Bhattacharyya, Vice Chancellor, Tezpur University spoke about the relevance of the theme of the Refresher Course.

# ক্ষেত্ৰ অধ্যয়ন / সম্প্ৰসাৰণ কাৰ্যসূচী / শৈক্ষিক ভ্ৰমণ

## স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাষিকৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক ভ্ৰমণ

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত বিভাগীয় অধ্যাপক ড° সঞ্জীৱ পল ডেকা, জ্যোতিষ্মান দাস, সুশান্ত ৰাজখোৱা আৰু নলবাৰী শিক্ষণ মহাবিদ্যালয়ৰ প্ৰৱক্তা ৰাজতৰংগিনীৰ তত্ত্বাৱধানত ২০২২ চনৰ ২৭ আৰু ২৮ মাৰ্চ তাৰিখে ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডত বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ এক শৈক্ষিক ভ্ৰমণৰ কাৰ্যসূচী সম্পাদন কৰা হয়। শৈক্ষিক ভ্ৰমণৰ অংশ হিচাপে ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চল, ভৈৰৱকুণ্ডস্থিত মানৱসৃষ্ট বনাঞ্চল, জলসিঞ্চন প্ৰকল্প আৰু নিকটৱৰ্তী গাঁওসমূহ ভ্ৰমণ কৰা হয়। বড়ো বসতিপ্ৰধান সীমান্তৱৰ্তী অঞ্চলটোৰ সংস্কৃতি আৰু সমস্যাৰাজি সম্পৰ্কে শিক্ষাৰ্থীসকলে অধ্যয়ন কৰে।




# Extension Activity/ Field Study/ Educational Tour

## Educational Tour to Bhairabkunda

The Department organized an educational tour for the students of the 2020-2022 batch to Bhairabkunda, Udalguri under the guidance of the departmental faculties Sanjib Deka, Jyotishman Das, Sushanta Rajkhowa on 27-28th March, 2022. As a part of the educa tional trip, the students visited the region of the border between India and Bhutan, the Gethesemane Man-made forest, the irrigation project, and the villages in the surrounding area. The students studied about the history, culture and the issues that plagued the border region.

# ওদালগুৰি জিলাৰ কছাৰীচন গাঁৱত ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী



অসমীয়া বিভাগৰ উদ্যোগত ৯ জুন, ২০২২ তাৰিখে এক ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিকৰ 'অসমীয়া সংস্কৃতি' শীৰ্ষক কাকতৰ অংশ হিচাপে ওদালগুৰি জিলাৰ কছাৰীচন গাঁৱত এই ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে কৰা ক্ষেত্ৰ অধ্যয়নৰ নিৰ্বাচিত বিষয় আছিল– 'বড়ো জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক জীৱনঃ পৰম্পৰা আৰু পৰিৱৰ্তন।' সম্প্ৰসাৰণ কাৰ্যসূচী হিচাপে 'অসমৰ থলুৱা সংস্কৃতিৰ সংৰক্ষণ, সমস্যা আৰু সম্ভাৱনা' শীৰ্ষক বিষয়ত এক আলোচনা-সত্ৰৰ আয়োজন কৰা হয়। পুৱা দহ বজাৰ পৰা গাঁৱৰ ৰাইজৰ উপস্থিতিত বড়িগাঁও কছাৰী প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে লোকপ্ৰিয় অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ বড়ো বিভাগৰ সহকাৰী অধ্যাপক ড° তোলন মুছাহাৰী আৰু পাণ্ডু মহাবিদ্যালয়ৰ বড়ো বিভাগৰ সহকাৰী অধ্যাপক প্ৰণৱজ্যোতি নাৰ্জাৰী। সমল ব্যক্তিদ্বয়ে বড়ো সমাজৰ লোক-সংস্কৃতি আৰু সাম্প্ৰতিক সময়ত অহা প্ৰত্যাহ্বান বিষয়ক দুটা সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। তাৰ পিছতে সম্প্ৰসাৰণ কাৰ্যসূচীৰ অংশ হিচাপে বিভাগীয় মুৰব্বী ড° সুব্ৰতজ্যোতি নেওগ, ড° জুৰি দত্ত আৰু ড° সঞ্জীৱ ডেকাই বিষয় সন্দৰ্ভত উপস্থিত ৰাইজক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে বিভাগৰ সহকাৰী অধ্যাপক তথা কাৰ্যসূচীৰ সমন্বয়ক জ্যোতিষ্মান দাসে। শিক্ষাৰ্থীসকলে গাঁৱৰ ৰাইজৰ সহযোগত আৰু সহকাৰী অধ্যাপক ড° জুৰি দত্ত, সুশান্ত ৰাজখোৱা, ৰাজতৰংগিণীৰ তত্ত্বাৱধানত গাঁওখন ভ্ৰমণ কৰি বড়ো লোক-সংস্কৃতিৰ, পৰম্পৰাৰ অধ্যয়ন কৰে। বিয়লিলৈ এক সাংস্কৃতিক কাৰ্যসূচী আয়োজন কৰা হয়। য'ত শিক্ষাৰ্থীসকলৰ লগতে গাঁৱৰ ৰাইজে সক্ৰিয় অংশগ্ৰহণ কৰে।

# Field Study and Extension Activity at Kacharichan village, Udalguri

The Department organized a field study and an extension programme at Kacharichan village of Udalguri district on 9th June 2022. The event was conducted to fulfil the requirements for the course entitled "Assamese Culture" of MA 2nd Semester. The topic of the field study was 'Socio-Cultural Life of the Bodos: Tradition and Changes.' A discussion on 'Preservation of Indigenous Culture of Assam: Problems and Prospects' was organized as an extension activity by the Department. Dr. Tolan Musahari, Assistant Professor, Department of Bodo, LOKD College, and Pranabjyoti Narzary, Assistant Professor, Department of Bodo, Pandu College were the resource persons who delivered two insightful lectures on the folk culture and contemporary challenges faced by the Bodos. It was followed by a discussion on 'Preservation of Indigenous Culture of Assam: Problems and Prospects' by Dr. Subrat Jyoti Neog , Dr. Juri Dutta and Dr. Sanjib Deka, the faculties of the department. The programme was hosted by Mr. Jyotishman Das, Assistant Professor and the coordinator of the event. The students visited the village with the cooperation of the villagers and under the supervision of faculty members of the Department. A cultural programme was held by the villagers in the afternoon.

# 'পুৰণি পুথি অধ্যয়ন আৰু সংৰক্ষণ' বিষয়ক সম্প্ৰসাৰণ কাৰ্যসূচী

তেজপুৰৰ অসমীয়া ক্লাৱত ২৯ অক্টোবৰ, ২০২২ তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে 'পুৰণি পুথি অধ্যয়ন আৰু সংৰক্ষণ' শীৰ্ষক এখনি এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ পল ডেকা আৰু নলবাৰী শিক্ষণ মহাবিদ্যালয়ৰ প্ৰবক্তা ৰাজতৰংগিনী। কৰ্মশালাখনত তেজপুৰৰ বালি সত্ৰত থকা প্ৰায় কুৰিখনমান পুৰণি পুথিৰ পৰ্যবেক্ষণ কৰা হয়। কৰ্মশালাত সাঁচিপাতৰ পুথি, তুলাপাতৰ পুথি, কোম্পানী কাগজত লিখা পুথিসমূহৰ প্ৰস্তুত প্ৰণালী, লিখন শৈলী আদিৰ বিষয়ে ৰাজতৰংগিনীয়ে অৱগত কৰাৰ লগতে পুৰণি পুথি পঢ়া, নামকৰণ কৰা, পুথিৰ পৰিষ্কাৰকৰণ, সংৰক্ষণ আদি কৰা হয়। প্ৰায় পোন্ধৰখন পুথিৰ খেলি-মেলি হৈ থকা পৃষ্ঠাবোৰ ক্ৰম অনুসৰি মিলাই একোখন সম্পূৰ্ণ পুথিৰ আকাৰ দিয়া হয়। বহুকেইখন অসম্পূৰ্ণ পুথি পোৱাৰ লগতে মিশ্ৰিত পুথিও পোৱা গৈছিল। পুথিসমূহ পঢ়িবলৈ যত্ন কৰি পুথিৰ নাম, লেখক, পুথি লেখাৰ সময়, মুঠ পৃষ্ঠাৰ সংখ্যা, পুথিৰ আকাৰ, পৃষ্ঠপোষক ৰজা আদি বিভিন্ন



তথ্যৰ অনুসন্ধান কৰা হয়। প্ৰাপ্ত তথ্যসমূহ লিপিবদ্ধ কৰি শিক্ষাৰ্থীসকলে পুথিসমূহত আৱৰণ লগাই বিজ্ঞানসন্মত সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰে। এই কাৰ্যসূচীত তেজপুৰৰ অসমীয়া ক্লাৱৰ সদস্যসকলে সক্ৰিয় সহয়োগিতা আগবঢ়ায়।

# Workshop on “Manuscripts Reading and Preservation”

The Department organized a one day workshop on Manuscripts Reading and Preservation in the Asamiya Club, Tezpur on 29th October 2022. Dr. Sanjib Deka, Assistant Professor, Department of Assamese and Mrs. Rajtarangini, Lecturer, DIET Nalbari were the resource persons of the workshop. Around 20 manuscripts from the Bali Satra, Tezpur were analyzed in the workshop. In the workshop, Mrs. Rajtarangini elaborated on issues like the production and the writing style of the *Sancipat, Tulapat* and company paper manuscripts and tasks like manuscript reading, naming, cleaning and preservation were undertaken. The mismatched pages of almost fifteen manuscripts were arranged in order and converted to complete manuscripts. Through an attempt to read the manuscripts, factors like the names of the manuscript, writers, time periods, total number of pages, the size of the manuscripts and the names of the associated kings were analyzed. As per the information received, the manuscripts were cleaned, labelled, and wrapped in red linen and kept properly for preservation. The members of the Asamiya Club, Tezpur offered their sincere support in this workshop.

# বক্তৃতানুষ্ঠান

## ‘ডিজিটেল মানৱিকীবিদ্যা’ বিষয়ত বক্তৃতা শৃংখলা

অসমীয়া বিভাগৰ উদ্যোগত ১ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ ডিজিটেল মানৱীকিবিদ্যা [Digital Humanities] বিষয়ক এক সপ্তাহজোৰা বক্তৃতা শৃংখলা অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° সুব্ৰত জ্যোতি নেওগে অতিথি আৰু অংশগ্ৰহণকাৰীসকলক আদৰণি জনায়। এই বক্তৃতাৰ সমল ব্যক্তি আছিল পশ্চিম বংগৰ নিঅ'চিয়া বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° কোৱেল মিত্ৰ। তেওঁৰ বক্তৃতাৰ বিষয়সমূহ আছিল-- ডিজিটেল মানৱিকীবিদ্যাৰ ইতিহাস; ডিজিটেল মানৱিকীবিদ্যাৰ প্ৰকৃতি, ধাৰণা আৰু পৰিসৰ; ডিজিটেল মানৱিকীবিদ্যা বিষয়ক তত্ত্ব আৰু বিতৰ্ক, আৰু ডিজিটেল মানৱিকীবিদ্যাৰ ক্ষেত্ৰত সন্মুখীন হ'ব পৰা বিভিন্ন প্ৰত্যাহ্বান; ডিজিটেল মানৱিকীবিদ্যাৰ ভৱিষ্যৎ আদি। ড° মিত্ৰই পুনৰ ১৪ মাৰ্চৰ পৰা ২৪ মাৰ্চলৈ ডিজিটেল মানৱিকীবিদ্যা বিষয়ক আন এলানি বক্তৃতা প্ৰদান কৰে। তেওঁৰ উক্ত বক্তৃতালানিৰ



বিষয়সমূহ আছিল-- ডিজিটেল মানৱিকীবিদ্যাৰ তত্ত্ব আৰু বিতৰ্ক, ডিজিটেল মানৱিকীবিদ্যাৰ প্ৰত্যাহ্বান আৰু ভৱিষ্যত, ভাৰতত ডিজিটেল মানৱিকীবিদ্যা । স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে দুয়োলানি বক্তৃতা শৃংখলাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# LECTURES/ INVITED TALKS

## Lecture Series on ‘Digital Humanities’

The Department organized a weeklong lecture series on ‘Digital Humanities’ from 1st February 2022 to 7th February, 2022. In the inaugural session, Dr. Subrat Jyoti Neog, HoD, Department of Assamese, Tezpur University welcomed the guests and participants. The resource person of this lecture series was Dr. Koel Mitra, Assistant Professor, Department of English, Neotia University, West Bengal. The topics of her lecture included History of Digital Humanities; Nature, Concept and Scope of Digital Humanities; Theories and Debates in Digital Humanities; Challenges and the future of Digital Humanities. Dr. Mitra served as a resource person in another lecture series on Digital Humanities hosted by the Department during 14-24, 2022, where she furthered her discussion on the

## ‘অসমীয়া সমালোচনা সাহিত্যৰ গতিধাৰা’ শীৰ্ষক বক্তৃতানুষ্ঠান

দুদিনীয়া কাৰ্যসূচীৰে ১১ আৰু ১২ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বক্তৃতাৰ বিষয় আছিল ‘অসমীয়া সমালোচনা সাহিত্যৰ গতিধাৰা’। অনলাইন মাধ্যমেৰে দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা বিশেষ বক্তৃতাটোৰ

আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপক ড° সঞ্জীৱ পল ডেকাই। বিষয় সম্পৰ্কত বক্তৃতা প্ৰদান কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰাণজিৎ বৰাই। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰী, গৱেষক-গৱেষিকা উপস্থিত থকা এই বক্তৃতানুষ্ঠানটোত অধ্যাপক বৰাই পোনপ্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা অসমীয়া সমালোচনা সাহিত্যৰ ইতিহাস তথা গতিধাৰা সম্পৰ্কে মতামত গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত লক্ষ্মীনাথ বেজবৰুৱা তথা তাৰ আগৰ সময়ত ৰচিত অসমীয়া সমালোচনা সাহিত্যৰ আলোকপাত কৰি ভবানন্দ দত্ত, বাণীকান্ত কাকতি, হীৰেন গোঁহাই, ভবেন বৰুৱা আদি সমালোচকৰ বিশেষ উল্লিখনেৰে সমালোচনা সাহিত্যৰ গতিধাৰা সম্পৰ্কে এক সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। লগতে বাণীকান্ত কাকতিৰ যোগেদিয়েই কেনেদৰে অসমীয়া সমালোচনা সাহিত্যত প্ৰণালীবদ্ধ সমালোচনাৰ আৰম্ভ হয় সেই সম্পৰ্কে তেওঁ আলোকপাত কৰে। দ্বিতীয় দিনা ১১ বজাৰ পৰা আৰম্ভ হোৱা বক্তৃতাত তেওঁ স্বাধীনতাৰ পৰৱৰ্তী সময়ৰ অসমীয়া সমালোচনা সাহিত্যৰ গতিধাৰা সম্পৰ্কে এক গুৰুত্বপূৰ্ণ বক্তৃতা আগবঢ়ায়। লগতে সাম্প্ৰতিক অসমীয়া সমালোচনা সাহিত্যৰ কেইবাটাও গুৰুত্বপূৰ্ণ দিশৰ উপস্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক সমৃদ্ধ কৰে। অনুষ্ঠানৰ শেষৰফালে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এক প্ৰশ্নোত্তৰ শিতানত অংশ লয়।

## Online Lecture on Trends in Assamese Criticism

The Department hosted two lectures on Assamese Criticism on February 11th and 12th, 2022. Which were delivered by Prof. Pranjit Bora, Department of Assamese, Krishnakanta Handique State Open University. Students and researchers of the department and from various regions of Assam attended the lectures virtually. He discussed the developments and trends in Assamese criticism from the 19th century to the present day. The event was moderated by Dr. Sanjib Deka, Assistant Professor of the Department.



## ‘ভাৰতীয় স্বাধীনতা আন্দোলন আৰু নাটক’ বিষয়ক বিশেষ বক্তৃতা

অসমীয়া বিভাগৰ উদ্যোগত “আজাদী কা অমৃত মহোৎসৱ”ৰ লগত সংগতি ৰাখি এক বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ৪ মাৰ্চ তাৰিখে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তথা নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰাক্তন ডীন অধ্যাপক সুৰেশ ভৰদ্বাজে ‘ভাৰতীয় স্বাধীনতা আন্দোলন আৰু নাটক’ বিষয়ক এক বিশেষ বক্তৃতা প্ৰদান কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়াই অনুষ্ঠানটো উদ্বোধন কৰে। ‘গুগল মীট’ৰ মাধ্যমত আয়োজিত অনুষ্ঠানটোৰ আৰম্ভণি হয় পুৱা ১১ বজাৰ পৰা। তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগে আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে অনুষ্ঠানৰ আঁত ধৰে।



# Distinguished Lecture on "Indian Freedom Movement and Theatre"

The Department has been organizing various events under the banner of "Azadi ka Amrit Mahotsav." Prof. Suresh Bharadwaj, Sangeet Natak Akademi Awardee and Former Dean, National School of Drama, New Delhi delivered an online lecture on "Indian Freedom Movement and Theatre" on 4th March, 2022. The online event was inaugurated by the Hon'ble Pro Vice Chancellor of the University Prof. Dhruba Kumar Bhattacharyya and the online event was hosted by Dr. Subrat Jyoti Neog, the Head of the Department.

# 'অসমীয়া উপন্যাসৰ গতিধাৰা' শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠান

দুদিনীয়া কাৰ্যসূচীৰে ১১-১২ এপ্ৰিল তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত "অসমীয়া উপন্যাসৰ ক্ৰমবিকাশঃ আৰম্ভণিৰ পৰা সাম্প্ৰতিক কাললৈ" শীৰ্ষক এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। এই বক্তৃতাত মুখ্য বক্তাৰূপে উপস্থিত থাকে বিশিষ্ট সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° গোবিন্দ প্ৰসাদ শৰ্মা। বিভাগৰ সহকাৰী অধ্যাপক ড° জুৰি দত্তই আঁত ধৰা বিশেষ বক্তৃতানুষ্ঠানটোৰ উদ্বোধন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক বিজয় কুমাৰ দান্তাই। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা বিশেষ বক্তৃতানুষ্ঠানটোৰ প্ৰথম দিনা অধ্যাপক শৰ্মাই অসমীয়া উপন্যাসৰ আৰম্ভণিৰ পৰা বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' শীৰ্ষক উপন্যাসৰ সময়লৈকে আলোচনা কৰে। এই সময়সীমাৰ ভিতৰত ৰচিত অসমীয়া উপন্যাসৰ গতিধাৰা, শিল্পগুণ, বিষয়বস্তুৰ ভিন্নতা, প্ৰেক্ষাপট সম্পৰ্কত এক তত্ত্বগধুৰ আলোচনা তেখেতে আগবঢ়ায়। প্ৰথমদিনাৰ বক্তৃতাৰ অন্তত বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ সৈতে অধ্যাপক শৰ্মাই অসমীয়া উপন্যাসৰ গতিধাৰা তথা অসমীয়া উপন্যাস সম্পৰ্কত এক অন্তৰংগ আলাপত মিলিত হয়। দ্বিতীয়দিনাৰ কাৰ্যসূচীৰো আঁত ধৰে অধ্যাপিকা জুৰি দত্তই। দ্বিতীয় দিনাৰ বক্তৃতাত অধ্যাপক শৰ্মাই প্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি' শীৰ্ষক উপন্যাসৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক অসমীয়া উপন্যাসৰ গতিধাৰা সম্পৰ্কে এক সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। স্বাধীনতা পৰৱৰ্তী অসমীয়া উপন্যাস আৰু স্বাধীনতা পূৰ্বৱৰ্তী অসমীয়া উপন্যাসৰ এক তুলনা দাঙি ধৰি দুয়োটা সময়সীমাত ৰচিত অসমীয়া উপন্যাসৰ প্ৰেক্ষাপট সম্বন্ধেও কিছু কথা আলোচনা কৰে। পৰৱৰ্তী সময়ত পুনৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰি গোবিন্দ প্ৰসাদ শৰ্মাই বক্তৃতাৰ সামৰণি মাৰে। প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে বিভাগীয় অধ্যাপক-অধ্যাপকসকল অনুষ্ঠানটোত উপস্থিত থাকে।



# Lectures on "The Evolution of the Assamese Novel: From the Beginning to the Present"

The Department organized special lectures on 11-12th April, 2022, where Prof. Govinda Prasad Sharma, eminent critic, former professor, Dept of English, Gauhati University delivered lectures on the topic "The Evolution of the Assamese Novel: From the Beginning to the Present". On the first day, he discussed the growth and development of Assamese novel starting from the emergence of Assamese novel to the pre-independence era focusing the well-known Assamese novel *Jivanar Batat* by Bina Barua. On the second day, he discussed various trends of fiction-writing by drawing examples from some notable Assamese novels. In his lectures, he touched the important trends of Assamese novels from its origin to the contemporary times. The lectures were followed by interactive sessions and insightful discussions. Prof Bijay



Kumar Danta, Department of English, Tezpur University inaugurated the event and it was moderated by Dr. Juri Dutta, Coordinator and Assistant Professor.

# 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' বিষয়ক বক্তৃতানুষ্ঠান

২০২২ চনৰ ১৩ মে' অনুষ্ঠিত 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' বিষয়ক এক বিশেষ বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভূতপূৰ্ব অধ্যাপিকা লীলাৱতী শইকীয়া বৰাই। জ্যোতিষ্মান দাসে এই বক্তৃতানুষ্ঠানৰ আঁত ধৰে। বক্তৃতানুষ্ঠানৰ শেষত অধ্যাপিকা লীলাৱতী শইকীয়া বৰাৰ সৈতে অংশগ্ৰহণকাৰীসকলৰ এক মত বিনিময় অনুষ্ঠান হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ ভাষাবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা বিপাশা পাটগিৰি, বিভাগৰ সহকাৰী অধ্যাপক সুশান্ত ৰাজখোৱা আৰু বিভাগৰ শিক্ষাৰ্থীসকলে অংশ লয়। অধ্যাপিকা বৰাই সমকালীন অসমীয়া ভাষালৈ অহা পৰিৱৰ্তন, ভাষাৰ সামাজিক দিশ আৰু গণমাধ্যমৰ সন্দৰ্ভত বিভিন্ন নতুন দিশৰ অৱতাৰণা কৰে।



# A special talk on "Assamese Morphology"

On 13th May, 2022, a special talk on "Assamese Morphology" was delivered by Prof. Lilabati Saikia Bora, Former Professor, Department of Assamese, Gauhati University. The talk covered the contemporary issues in Assamese Morphology and Assamese script. It was followed by an interactive session between the students and the resource persons. Mr. Jyotishman Das, Assistant Professor of the department moderated the event.

# কুম্ভীলকতা (Plagiarism) আৰু মুক্ত প্ৰৱেশ প্ৰকাশনৰ (Open Access Publishing) সন্দৰ্ভত বিশেষ বক্তৃতা

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ২০ আৰু ২১ অক্টোবৰ, ২০২২ তাৰিখে কুম্ভীলকতা (Plagiarism) আৰু মুক্ত প্ৰৱেশ প্ৰকাশনৰ (Open Access Publishing) বিষয়ত দুদিনীয়া বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। বক্তৃতা প্ৰদান কৰে, তেজপুৰ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ সহকাৰী গ্ৰন্থাগাৰিক জিতুমণি দাসে। তেওঁৰ বক্তৃতা দুটাই কুম্ভীলকতাৰ প্ৰকাৰ, মুক্ত প্ৰৱেশ প্ৰকাশনৰ ব্যৱহাৰ আৰু উপকাৰিতাৰ ভিন্ন দিশ সামৰে।



# Special talk on Plagiarism and Open Access Publication

The Department organized a two-day special talk on 20th-21st October, 2022 on 'Plagiarism and Open Access Publication', the resource person of which was Mr Jitumoni Das, Assistant Librarian, Central Library, Tezpur University. The Head of the Department, Dr. Subrat Jyoti Neog, inaugurated the session on 20th October, 2022, after which the speaker addressed the issue of plagiarism: what it is, what are its types and how it can be avoided along with examples. The talk also discussed about the accepted percentage of plagiarism defined by UGC and penalties for different levels of plagiarism. The speaker also made the students aware about anti-plagiarism tools and gave a demo of using them. In the question answer session, Dr. Juri Dutta, Assistant Professor of the Department had a interactive question-answer session on Plagiarism. On the second day, Mr Das talked about Open Access Publications and areas connected to it: its subscription, what open access is, how to use it, its merits, demerits after which he introduced the currently widely used open access journals and showed some demos. The second day talk also discussed on the areas of UGC CARE list and SCOPUS Index. Mr. Jyotishman Das, Assistant Professor of the department, concluded the programme with a vote of thanks.

# ‘অসমীয়া কবিতাঃ সঞ্চয়, সংশয় আৰু সম্ভাৱনা’ শীৰ্ষক আমন্ত্ৰিত বক্তৃতা

বিশিষ্ট সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ ভূতপূৰ্ব অধ্যাপিকা কৰবী ডেকা হাজৰিকাই তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে আয়োজন কৰা বিশেষ বক্তৃতানুষ্ঠানত অসমীয়া কবিতাৰ বিৱৰ্তনৰ বিভিন্ন স্তৰসমূহক সাঙুৰি ‘অসমীয়া কবিতাঃ সঞ্চয়, সংশয় আৰু সম্ভাৱনা’ শীৰ্ষক এটি মননশীল বক্তৃতা প্ৰদান কৰে। যোৱা ১১ নৱেম্বৰ, ২০২২ তাৰিখে অসমীয়া বিভাগৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানটো আঁত ধৰে, সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে। বিভাগীয় মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগে আদৰণী ভাষণ প্ৰদান কৰাৰ পিছতে জ্যোতিষ্মান দাসে বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকাৰ সাহিত্য-কৰ্মৰ সম্পৰ্কে সংক্ষেপে আলোকপাত কৰে। তাৰপিছতে আৰম্ভ হোৱা মূল বক্তৃতাত ডেকা হাজৰিকাই অসমীয়া কবিতাৰ ইতিহাসৰ আদিৰপৰা সাম্প্ৰতিক কাললৈ প্ৰায় এহেজাৰ বছৰীয়া ইতিহাসক অতি কম সময়ৰ ভিতৰতে শিক্ষাৰ্থীসকলৰ বোধগম্য হোৱাকৈ উপস্থাপন কৰে। এই অনুষ্ঠানতে বিভাগীয় আলোচনী *কিশলয়*ৰ দ্বিতীয় সংখ্যাৰ উন্মোচন কৰা হয়। বক্তৃতাৰ সামৰণিৰ পিছত অংশগ্ৰহণকাৰী সকলৰ সৈতে এটা অন্তৰংগ-আলাপত বক্তা ডেকা হাজৰিকাই ভাগ লয়। বিভাগৰ স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থী শিল্পী শিখা কোঁৱৰ,



অনু দত্ত, ভৃগু কুমাৰ নাথ আৰু গৱেষক কিৰণ দাস আৰু দেৱাশিস বুঢ়াগোহাঁয়ে বিশিষ্ট সাহিত্যিক গৰাকীৰ প্ৰতি কবিতা, অনুবাদ, নাটকৰ সম্পৰ্কে কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। এই অনুষ্ঠানত বিভাগীয় মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগেও অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে সাহিত্যিক গৰাকীয়ে বিভাগীয় পুথিভঁৰাললৈ এটা নিজা গ্ৰন্থৰ টোপোলা আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জুৰি দত্তৰ শলাগৰ শৰাইৰে অনুষ্ঠানটোৰ সামৰণি পৰে।

## Special Talk on ‘Assamese`Poetry’

